**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI

**Date :** 30-03-2025 **Time :** 1910 Hrs.

***Assamese EVENING Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ছট্টিশগড়ত কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে কিছুসংখ্যক উন্নয়নমূলক প্ৰকল্প মুকলি কৰে।

২। বেংগালুৰু-গুৱাহাটী-কামাখ্যা ছুপাৰ ফাষ্ট এক্সপ্ৰেছ ৰে'লৰ ১১ টা দবা আজি ওড়িষাৰ কটকৰ নিৰ্গুণ্ডি ৰে'ল ষ্টেচনৰ সমীপত লাইনচ্যুত হয়।

৩। জ্যেষ্ঠ বিজেপি নেতা তথা গৃহমন্ত্ৰী অমিত শ্বাহে আজি এন ডি এ-ক প্ৰগতিৰ অন্য নাম বুলি অভিহিত কৰিছে।

৪। শ্ৰীলংকাৰ জাফনাৰ ভাৰতৰ বাণিজ্যিক দূতাবাসে দেশখনত হিন্দী ভাষাৰ জনপ্ৰিয়তাৰ প্ৰতি লক্ষ্য ৰাখি ৱাবুনিয়া বিশ্ববিদ্যালয়ত হিন্দী ভাষাৰ এটা পাঠ্যক্ৰম মুকলি কৰিছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ গুৱাহাটী বৰ্ষাপাৰা ষ্টেডিয়ামত কিছু সময়ৰ পাছত হ'বলগীয়া খেলত ৰাজস্থান ৰয়েলছ, চেন্নাই চুপাৰ কিংছৰ মুখামুখি হ'ব।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ছট্টিশগড়ৰ বিলাসপুৰ জিলাৰ মোহভট্টাত গৃহ নিৰ্মাণ, শিক্ষা, তেল আৰু গেছ, ৰে'ল, পথ তথা বিদ্যুৎ শক্তি সম্পৰ্কীয় ৩৩ হাজাৰ ৭০০ কোটিতকৈও অধিক ধনৰ ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে কিছুসংখ্যক উন্নয়নমূলক প্ৰকল্প মুকলি কৰে। এই উপলক্ষে আয়োজিত জনসভাত ভাষণ দি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে ছট্টিশগড়ৰ নক্সালবাদী অধ্যুষিত অঞ্চলসমূহত শান্তিৰ নতুন দিগন্ত পৰিলক্ষিত হৈছে। তেওঁ কয়, যে ৰাজ্যখনৰ দূৰৱৰ্তী জনজাতীয় অঞ্চলসমূহত স্বাস্থ্যৰ সুবিধা, পথ যোগাযোগ, বিদ্যুৎ আৰু ম'বাইল নেটৱৰ্কৰ লগতে অন্যান্য সা-সুবিধাসমূহ উপলব্ধ কৰা হৈছে। শেহতীয়া কেইবছৰমানত নক্সালবাদী অধ্যুষিত অঞ্চলসমূহত বহুতো বিদ্যালয় পুনৰ মুকলি কৰা বুলিও তেওঁ প্ৰকাশ কৰে। ছট্টিশগড়ৰ ভাগ্য সলনি হৈছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্যখনৰ জনজাতীয় অঞ্চলসমূহৰ প্ৰগতিৰ বাবে 'ধৰ্‌তী অব্‌ জনজাতি উৎকৰ্ষ' অভিযানৰ সূচনা কৰা হৈছে। ৰাজ্যখনৰ প্ৰান্তীয়, জনজাতীয় সম্প্ৰদায়সমূহৰ বাবে পি এম জন-মন যোজনাৰ সুবিধাসমূহ আগবঢ়াই থকা হোৱা বুলিও তেওঁ উল্লেখ কৰে। এই যোজনাৰ অধীনত কেইবাহাজাৰ কোটি টকা ব্যয়সাপেক্ষে জনজাতীয় অঞ্চলসমূহৰ উন্নয়ন ত্বৰান্বিত কৰাৰ প্ৰচেষ্টা অব্যাহত আছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে ছট্টিশগড়ৰ প্ৰতিটো পৰিয়ালৰ প্ৰগতি সুনিশ্চিত কৰিবলৈ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে পূৰ্ণ প্ৰচেষ্টা অব্যাহত ৰাখিব। এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণৰ অধীনত ৩ লাখ হিতাধিকাৰীৰ গৃহ প্ৰৱেশৰ আনুষ্ঠানিকতা সম্পূৰ্ণ কৰা হয়। প্ৰধানমন্ত্ৰীগৰাকীয়ে এই হিতাধিকাৰীসকলক তেওঁলোকৰ বাসগৃহৰ ছাবি অৰ্পণ কৰে। চৰকাৰে কেৱল বাসগৃহই নিৰ্মাণ নকৰে বুলি উল্লেখ কৰি তেওঁ কয়, যে চৰকাৰে এই গৃহসমূহত বাস কৰা জনসাধাৰণৰ জীৱনো নিৰ্মাণ কৰে। এই বৃহৎ পৰিমাণৰ বাসগৃহসমূহৰ নিৰ্মাণে জুপুৰিৰ বাসিন্দাসকলৰ পকাঘৰত বাস কৰাৰ সপোন পূৰ কৰাৰ উপৰি যুৱচাম, স্থানীয় হস্তশিল্পীকে ধৰি বহুলোকক নিয়োগৰ

সুবিধা প্ৰদান কৰা বুলি তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে আজিৰ অনুষ্ঠানত অভনপুৰ-ৰায়পুৰৰ মাজত চলাচল কৰা মেমু ৰে’লসেৱা পতাকা জোকাৰি মুকলি কৰে। আজিৰ অনুষ্ঠানত কেন্দ্ৰীয় গৃহ নিৰ্মাণ তথা নগৰ উন্নয়ন মন্ত্ৰী মনোহৰ লাল খট্টাৰ আৰু ছট্টিশগড়ৰ মুখ্যমন্ত্ৰী বিষ্ণু দেও চাইয়েও ভাষণ দিয়ে।

ooooooo

বেংগালুৰু-গুৱাহাটী-কামাখ্যা ছুপাৰ ফাষ্ট এক্সপ্ৰেছ ৰে’লৰ ১১ টা দবা আজি ওড়িষাৰ কটকৰ নিৰ্গুণ্ডি ৰে’ল ষ্টেচনৰ সমীপত লাইনচ্যুত হয়। চৰকাৰী তথ্য অনুসৰি এই ঘটনাত এজন লোক নিহত হোৱাৰ লগতে ৭ গৰাকী লোক আহত হয়। আহত যাত্ৰীসকলক কটকৰ এছ চি বি চিকিৎসা মহাবিদ্যালয় তথা চিকিৎসালয়ত ভৰ্তি কৰা হৈছে। উল্লেখযোগ্য যে ৰে’লখন বেংগালুৰুৰ পৰা কামাখ্যা অভিমুখে আহি আছিল। ঘটনাস্থলীত উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত আছে। চিকিৎসা সাহায্যৰ বিশেষ গোট, ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী তথা অগ্নি নিৰ্বাপক বাহিনীৰ লোক তথা ৰে’ল বিভাগৰ জ্যেষ্ঠ বিষয়াসকল ইতিমধ্যে ঘটনাস্থলীত উপস্থিত হৈছে। আনসকল যাত্ৰীক তেওঁলোকৰ লক্ষ্যস্থানলৈ লৈ অহাৰ বাবে বিভাগীয় প্ৰচেষ্টা অব্যাহত আছে। ৰে’ল বিভাগৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি যথাসম্ভৱ শীঘ্ৰেই ৰে’লসেৱা অব্যাহত ৰখাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি আজি কেইদিনমানৰ পাছতেই ভাৰতৰ কেইবাখনো ৰাজ্যত আৰম্ভ হ’বলগীয়া নৱবৰ্ষৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ কয়, যে বৈচিত্ৰতাৰে ভৰা আমাৰ দেশত কেইদিনমানৰ পাছতে অসমত ৰঙালী বিহু, পশ্চিমবংগত পহিলা বৈশাখ আৰু কাশ্মীৰত নৱৰেহ উৎসৱ পালন কৰা হ’ব। এনেকৈয়ে অহা ১৩ এপ্ৰিলৰ পৰা ১৫ এপ্ৰিললৈ দেশৰ সকলো ঠাই উৎসৱমুখৰ হৈ পৰিব। সমাগত ঈদৰ বিষয়ে উল্লেখ কৰি তেওঁ এই উৎসৱসমূহৰ বাবে সকলোকে শুভেচ্ছা জ্ঞাপন কৰে।

আজিৰ মন কী বাত অনুষ্ঠানত ছাত্ৰ ছাত্ৰীসকলৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে ছাত্ৰ-ছাত্ৰীসকলে শিকিবৰ বাবে বৰ্তমান বহু নতুন নতুন উপায় ওলাইছে। আজিৰ ভাষণত প্ৰধানমন্ত্ৰীগৰাকীয়ে বৰষুণৰ পানী সংৰক্ষণ কৰাৰ বিষয়েও উল্লেখ কৰে। তেওঁ কয় যে জলশক্তি মন্ত্ৰালয়ৰ লগতে বিভিন্ন সংগঠনে পানী সংৰক্ষণৰ বাবে কাম কৰিবলৈ প্ৰস্তুতি চলাইছে।

ooooooo

জ্যেষ্ঠ বিজেপি নেতা তথা গৃহমন্ত্ৰী অমিত শ্বাহে আজি এন ডি এ-ক প্ৰগতিৰ অন্য নাম বুলি অভিহিত কৰিছে। বিহাৰৰ গোপালগঞ্জত এখন জনসভাত ভাষণ দি শ্ৰী শ্বাহে এই কথা প্ৰকাশ কৰে। গৃহমন্ত্ৰীগৰাকী বিহাৰ ভ্ৰমণৰ অন্তিম খেপত আজি পাটনাত এন ডি এৰ পাঁচোটা দলৰ নেতাসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। গোপালগঞ্জত এখন জনসভাক সম্বোধন কৰাৰ পাছত শ্ৰী শ্বাহে মুখ্যমন্ত্ৰী নীতিশ কুমাৰৰ চৰকাৰী বাসগৃহত এই নেতাসকলৰ সৈতে মিলিত হৈ বিহাৰ বিধানসভা নিৰ্বাচন সম্পৰ্কীয় বিভিন্ন বিষয়ৰ লগতে নিৰ্বাচনী ৰণকৌশলৰ বিষয়ে আলোচনা কৰে। উল্লেখযোগ্য যে চলিত বছৰৰ শেষলৈ বিহাৰ বিধানসভা নিৰ্বাচন অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে। জে ডি ইউৰ ৰাষ্ট্ৰীয় সভাপতি তথা মুখ্যমন্ত্ৰী নীতিশ কুমাৰ লগতে এল জে পি আৰ, হিন্দুস্তানী আৱাম মৰ্চা চেকুলাৰ আৰু ৰাষ্ট্ৰীয় লোকমৰ্চাৰ দৰে দলসমূহৰ নেতাসকলো উপস্থিত থাকে। নতুন দিল্লীত কিছুদিন পূৰ্বে আয়োজিত এন ডি এ মিত্ৰজোঁটৰ বৈঠকৰ পৰৱৰ্তী কাৰ্যসূচী আজিৰ বৈঠকত আলোচনা কৰা হয়। বিজেপিৰ বিনোদ তাৱাৰে, জে ডি ইউৰ কাৰ্যবাহী সভাপতি সঞ্জয় ঝাঁ, এল জে পিৰ ৰামবিলাসৰ মুৰব্বী চিৰাগ পাছৱান, হিন্দুস্তানী

আৱাম মৰ্চা চেকুলাৰৰ মুৰববী জিতনৰাম মাঝি, ৰাষ্ট্ৰীয় লোকমৰ্চাৰ মুৰববী উপেন্দ্ৰ কুছৱাহা তথা কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী, ৰাজ্য মন্ত্ৰী তথা ৰাজনৈতিক নেতাই আজিৰ বৈঠকত অংশ লয়। বিহাৰ বিধানসভা নিৰ্বাচনত এন ডি এ মিত্ৰজোঁটে ২২৫ খন আসনত জয়লাভ কৰাৰ লক্ষ্য লোৱাৰ পৰিপ্ৰেক্ষিতত আজিৰ এই বৈঠক তাৎপৰ্যপূৰ্ণ হিচাপে বিবেচিত হৈছে।

০০০০০০০

শ্ৰীলংকাৰ জাফনাৰ ভাৰতৰ বাণিজ্যিক দূতাবাসে দেশখনত হিন্দী ভাষাৰ জনপ্ৰিয়তাৰ প্ৰতি লক্ষ্য ৰাখি ৱাবুনিয়া বিশ্ববিদ্যালয়ত হিন্দী ভাষাৰ এটা পাঠ্যক্ৰম মুকলি কৰিছে। ভাৰতৰ কনছুল জেনেৰেল ছাই মুৰালি আৰু উপাচাৰ্য আটপুঠাৰাজাই যুটীয়াভাৱে পাঠ্যক্ৰমটো মুকলি কৰে। ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ সাংস্কৃতিক বিনিময় গভীৰ কৰি তোলাৰ লগতে যোগাযোগ ব্যৱস্থা ত্বৰান্বিত কৰাৰ উদ্দেশ্যে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই পদক্ষেপৰ জৰিয়তে শ্ৰীলংকাত জনসাধাৰণৰ মাজৰ পাৰস্পৰিক তথা শৈক্ষিক যোগাযোগ শক্তিশালী কৰাৰ ভাৰতৰ প্ৰতিশ্ৰুতি প্ৰতিফলিত হৈছে। অঞ্চলটোত হিন্দী ভাষাৰ বৰ্ধিত জনপ্ৰিয়তাৰ লগে লগে এই পাঠ্যক্ৰমৰ জৰিয়তে শিক্ষাৰ্থীসকলে শৈক্ষিক তথা বৃত্তিগত প্ৰগতিৰ বাবে নতুন সুযোগ লাভ কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি নতুন দিল্লীত আজি ৰাষ্ট্ৰীয় পৰিৱেশ সন্মিলনৰ সামৰণি অধিৱেশনত অংশগ্ৰহণ কৰে। অনুষ্ঠানত ভাষণ দি শ্ৰী ধনখড়ে কয়, যে গোলকীয় পৰিৱেশ সম্পৰ্কীয় প্ৰত্যাহ্বানসমূহ সমাধান কৰাৰ বাবে আন্তৰ্জাতিক সহযোগিতাৰ প্ৰয়োজন। উদ্ভাৱনীমূলক কৌশলৰ জৰিয়তে পৰিৱেশগত বহনক্ষমতা তথা অৰ্থনৈতিক প্ৰগতি ত্বৰান্বিত হয় বুলিও তেওঁ প্ৰকাশ কৰে। পৰিৱেশ সংৰক্ষণৰ হকে কাম কৰিবলৈ তেওঁ নাগৰিকসকললৈ আহ্বান জনায়। কোনো ব্যক্তি, গোট তথা এখন দেশে অকলে পৰিৱেশৰ সমস্যা সমাধান কৰিব নোৱাৰে বুলিও তেওঁ প্ৰকাশ কৰে।

০০০০০০০

ছট্টিশগড়ৰ বিজাপুৰ জিলাত আজি ৫০গৰাকী মাওবাদীয়ে আত্মসমৰ্পণ কৰে। আত্মসমৰ্পণ কৰা মাওবাদীসকলৰ ভিতৰত ১৩ গৰাকীৰ বাবে ইতিমধ্যে ৬৮ লাখ টকা ঘোষণা কৰা হৈছিল। ৰাজ্যখনত প্ৰথমবাৰৰ বাবে এইদৰে বৃহৎসংখ্যক মাওবাদীয়ে আত্মসমৰ্পণ কৰিছে। আত্মসমৰ্পণকাৰী মাওবাদীসকলৰ প্ৰত্যেককে ২৫ হাজাৰ টকাকৈ উদগনিমূলক ধন প্ৰদান কৰা হৈছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী বিষ্ণু দেও চায়ে কয়, যে বাষ্টাৰৰ দুৰ্গম অঞ্চলসমূহত শিক্ষা তথা স্বাস্থ্যসেৱাৰ সম্প্ৰসাৰণৰ লগতে নতুন নিৰাপত্তা শিবিৰ আৰু পথ নিৰ্মাণৰ অবিৰত প্ৰচেষ্টাৰ জৰিয়তে চৰকাৰৰ প্ৰতি জনসাধাৰণৰ আস্থা বৃদ্ধি হৈছে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি গুৱাহাটী বৰ্ষাপাৰা ষ্টেডিয়ামত ক্ষন্তেক পাছতে হ'বলগীয়া খেলত ৰাজস্থান ৰয়েলছ, চেন্নাই চুপাৰ কিংছৰ মুখামুখি হ'ব। খেলখনত টছত জিকি চেন্নাই ছুপাৰ কিংছে প্ৰথমে বলিঙৰ সিদ্ধান্ত লৈছে। ৰিয়ান পৰাগ নেতৃত্বাধীন ৰাজস্থান ৰয়েলছে প্ৰথম দুয়োখন খেলত পৰাস্ত হোৱাৰ ফলত আজিৰ খেলখন গুৰুত্বপূৰ্ণ ৰূপে চিহ্নিত হৈছে।

০০০০০০০

**সমাপ্ত**